লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ৩; জুলাই-ডিচেম্বৰ, ২০২১

# ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰচনাত সমন্বয় চিন্তা

✍ ডঃ দীপ্তিশিখা নাথ

ভাৰতৰ জাতীয় জীৱনৰ এক উজ্জ্বল নক্ষত্ৰ হ'ল ৰবীন্দ্ৰনাথ ঠাকুৰ। ১৯১৭ চনত বিশ্ব সাহিত্যৰ সৰ্বোচ্চ সন্মান নোবেল বঁটা প্ৰাপ্তিৰ মাজেৰে তেখেতে ভাৰতীয় সাহিত্যকো বিশ্ব সাহিত্যৰ মৰ্য্যদা প্ৰদান কৰি গৈছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন দৰ্শনকো তেওঁৰ সাহিত্য চৰ্চাই প্ৰভাৱান্বিত কৰিছে।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন-দৰ্শন বুলি ক'লে বিশ্ব-মানৱতাবোধৰ দৰ্শনকেই বুজা যায়। এই জীৱন-দৰ্শনত সোমাই বিশ্বশান্তি, মানবীয় মূল্যবোধ আৰু সমন্বয় চিন্তা। বিশেষকৈ ভাৰতীয় পটভূমিত ৰবীন্দ্ৰনাথ ঠাকুৰৰ সমন্বয় চিন্তাৰ দৰ্শনে তেওঁৰ অনুৰাগীসকলক যথেষ্ট পৰিমাণে প্ৰভাৱান্বিত কৰি আহিছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ সমন্বয় চিন্তাৰ প্ৰকাশ ঘটিছে তেওঁৰ ৰচনাৱলী আৰু ব্যক্তিগত জীৱন-কৰ্মত। এই ৰচনাৱলীৰ মাজত আছে উপন্যাস, গল্প, প্ৰবন্ধ, কবিতা আৰু গীত।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম ১৮৬১ চনৰ ৭ মে'ত আৰু মৃত্যু ১৯৫১ চনৰ ৭ আগষ্টত। তেওঁ মুঠ আশী বছৰ তিনিমাহ কাল জীয়াই আছিল। ৰবীন্দ্ৰনাথৰ জীৱন কালৰ এই আশীটা বছৰ আছিল ভাৰতীয় জীৱনৰ সংকট কাল। হিন্দু পুনৰুত্থানবাদ, মুছলিম লীগৰ আন্দোলন, গো-হত্যা বিৰোধী আন্দোলন, পৃথকত্ববাদী আন্দোলন আদিয়ে এই সময়ছোৱাত ভাৰতীয় জীৱন অস্থিৰ কৰি ৰাখিছিল। তদুপৰি এই আন্দোলনৰ গইনা লৈ এফালে হিন্দু চেতনাৰ নামত হিন্দু সাম্প্ৰদায়িকতাবাদ আৰু আনফালে মুছলিম চেতনাৰ নামত মুছলিম সামপ্ৰদায়িকতাবাদে অবিভক্ত ভাৰতৰ সমাজ জীৱন অস্থিৰ কৰি তুলিছিল। ভাৰতবৰ্ষৰ

সমাজ জীৱনৰ এই জটিল সময়ছোৱাতেই ৰবীন্দ্ৰনাথ ঠাকুৰে আৰম্ভ কৰিছিল সাহিত্য-চৰ্চা, গল্প, কবিতা, উপন্যাস, গীত আদি মৌলিক সাহিত্য সৃষ্টিৰ উপৰি ৰবীন্দ্ৰনাথে সমসাময়িক ঘটনাৱলীৰ ওপৰত আলোকপাত কৰি সাহিত্য সৃষ্টি কৰিছিল। তেনে সাহিত্যকৰ্মৰ বহুতেতেই সমন্বয় চিন্তাই প্ৰাধান্য পাইছিল।

ভাৰতীয় জীৱনৰ সমন্বয় আৰু সংঘাতক উপলক্ষ কৰি ৰবীন্দ্ৰনাথ ঠাকুৰৰ যি কেইটা ৰচনাই গুৰুত্ব লাভ কৰিছিল সেইসমূহৰ অন্যতম হ'ল- 'ঘৰে-বাইৰে', 'গোড়া' (উপন্যাস), 'ধৰ্মমোহ' (কবিতা), 'ধৰ্ম-শিক্ষা' (প্ৰবন্ধ), 'মুসলমানী গল্প' আদি। এই আটাইবোৰ লেখাতে ৰবীন্দ্ৰনাথে ভাৰতীয় সমাজ জীৱনৰ ধৰ্মীয় আৰু বৰ্ণগত সংঘাতৰ বিপৰীতে সমন্বয় চিন্তাক গুৰুত্ব প্ৰদান কৰিছে। বিশেষকৈ ৰবীন্দ্ৰনাথৰ বয়ঃপ্ৰাপ্তি সময়ৰে পৰা তেওঁ দেখা ধৰ্মীয় বিভাজন, ৰাজনীতিকেন্দ্ৰিক সাম্প্ৰদায়িক চিন্তা আদিয়ে তেঁওক ব্যথিত কৰিছিল আৰু সেই বিভাজনৰ বিপৰীতে তেওঁ সাহিত্যকৰ্মৰ মাজেৰে আহ্বান জনাইছিল। ৰবীন্দ্ৰনাথে লিখিছিল-

'হেথায় আৰ্য হেথায় অনাৰ্য হেথায় দ্ৰাবিড় চীন।

শক হুন দল পাঠান মোগল এক দেহে ইলোলীন।'

ভাৰতীয় জাতীয় ঐক্যৰ চিন্তাই কবিগুৰুক চিন্তিত কৰি তুলিছিল। সেয়ে তেওঁ বৈচিত্ৰৰ মাজত ঐক্য স্থাপনৰ প্ৰয়াস কৰিছিল। ইয়াৰ উপৰি ভাৰতীয় জাতীয় জীৱনৰ সমন্বয়ৰ কথা ক'লেও, ৰবীন্দ্ৰনাথ ঠাকুৰে বিভাজনৰ কাৰকসমূহো চিনাক্ত কৰিছিল। কুৰি শতিকাৰ প্ৰথম দশকৰ ভাৰতীয় ৰাজনীতিত হিন্দু আৰু হিন্দুত্বৰ নামত যি বিভাজন গা কৰি উঠিছিল তাৰ নিৰাময়ৰ বাবে ৰবীন্দ্ৰনাথে তেওঁৰ লেখাৰ মাজেৰে চেষ্টা কৰিছিল। কুৰি শতিকাৰ তৃতীয় দশকৰ প্ৰথম ভাগত আদম চুমাৰীৰ ৰিপোৰ্টৰ সময়ত যেতিয়া ৰবীন্দ্ৰনাথক সোধা হৈছিল- তেওঁ হিন্দু নে ব্ৰাহ্মণ- তেতিয়া তেওঁ এক বিবৃতিৰ জৰিয়তে কৈছিল- "মই হিন্দু সমাজত জন্ম গ্ৰহণ কৰিছো, মই ব্ৰাহ্মণ সম্প্ৰদায়ভুক্ত। মোৰ ধৰ্ম বিশ্বজনীনতা আৰু সেয়াই হিন্দুধৰ্ম।"

(হোছেইন, ইছমাইলঃ সাহিত্যত সাম্প্ৰদায়িকতাবাদ আৰু ৰবীন্দ্ৰনাথ, পৃঃ৪৫)

ৰবীন্দ্ৰনাথ ঠাকুৰে ধৰ্মক সদায় বিশ্বজনীন আৰু মানৱীয় দৃষ্টিভংগীৰে চোৱাৰ চেষ্টা কৰিছিল। তেওঁ ব্ৰাহ্মণ হ'লেও ব্ৰাহ্মণ্যবাদী আধিপত্যবাদৰ বিৰোধিতা কৰিছিল। আনকি তেওঁ পীৰ আলি নামৰ এগৰাকী মুছলমান লোকৰ ঘৰত আহাৰ গ্ৰহণ কৰা বাবে বংগৰ ব্ৰাহ্মণ সমাজে তেওঁক 'পীৰালি ব্ৰাহ্মণ' বুলি প্ৰত্যাখ্যান কৰাৰ চেষ্টা কৰিছিল। অৱশ্যে কেইবাগৰাকী তৰুণ ব্ৰাহ্মণে ৰবীন্দ্ৰনাথৰ পক্ষত থিয় হৈ ব্ৰাহ্মণ্যবাদৰ বিৰোধিতা কৰিছিল। (চৌধুৰী, অমিতাভঃ ইছলাম ও ৰবীন্দ্ৰনাথঃ অন্যান্য প্ৰসংগ, পৃঃ ৭৩)

ব্ৰাহ্মণ সম্প্ৰদায়ত জন্ম গ্ৰহণ কৰি হিন্দু পৰিয়ালেৰে সমৃদ্ধ হ'লেও ৰবীন্দ্ৰনাথে হিন্দুধৰ্ম আৰু হিন্দুত্বৰ নামত সৃষ্টি হোৱা সাম্প্ৰদায়িকতাৰ ঘোৰ বিৰোধী আছিল। ১৮৯৫-১৯০৫ চনৰ ভিতৰত ৰবীন্দ্ৰনাথে পাৰিবাৰিক ৰক্ষনশীলতাৰ মাজত জীৱন-যাপন কৰিছিল। আনকি তেওঁ পশ্চিমবংগৰ বোলপুৰত ব্ৰাহ্ম চৰ্যাশ্ৰম প্ৰতিষ্ঠা কৰি ব্ৰাহ্ম ধৰ্মমত প্ৰচাৰ কৰিছিল। সেই সময়ছোৱাত ৰবীন্দ্ৰনাথ স্বামী বিবেকানন্দ, ভগিনী নিবেদিতা, ব্ৰহ্মবান্ধৱ, উপাধ্যায় আদিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। কিন্তু ১৯০৫ চনত 'গোড়া' উপন্যাস ৰচনা কৰাৰ পিছৰে পৰা ৰবীন্দ্ৰনাথৰ ধৰ্ম সম্পৰ্কীয় দৃষ্টিভংগীৰ পৰিৱৰ্তন ঘটে আৰু ব্ৰাহ্মণ সমাজৰ সংকীৰ্ণতাৰ পৰা মুক্তি লাভ কৰাৰ চেষ্টা কৰে। সেইবাবেই তেওঁ পৰবৰ্তী সময়ত ধৰ্ম সম্পৰ্কে নতুন দৃষ্টিভংগী দাঙি ধৰি কৈছিল, "মানুহ হিচাপে মানুহৰ যি মূল্য সেইখিনিকেই সহজ নীতিৰ সতে স্বীকাৰ কৰাটোৱেই হ'ল প্ৰকৃত ধৰ্মবুদ্ধি।"(হোছেইন, ইছমাইলঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ৪৬)

তদুপৰি তেওঁ ধৰ্মীয় গোড়ামীক সমালোচনা কৰি কৈছিল- "মানুহক ঘৃণা কৰা যি দেশৰ ধৰ্মৰ নিয়ম, প্ৰতিবেশীৰ হাতত পানী খালে যিসকলৰ পৰকাল নষ্ট হয়, পৰক অপমান কৰি যিসকলে জাতি ৰক্ষা কৰিব লাগিব, পৰৰ হাতত চিৰদিন অপমানিত

নোহোৰাকৈ যিসকলৰ গতি নাই, তেওঁলোকে যিসকলক ম্লেচ্ছ (Metor) বুলি অৱজ্ঞা কৰি আহিছে, সেই ম্লেচ্ছৰ অৱজ্ঞা তেওঁলোকে সহ্য কৰিবই লাগিব।” (হোছেইন, ইছ্মাইলঃ উক্ত গ্ৰন্থ, পৃঃ ৪৫)

ৰবীন্দ্ৰনাথে পৰধৰ্ম বিদ্বেষক সমালোচনা কৰি কৈছে-

‘বিধৰ্ম বলি মাৰে পৰধৰ্মৰে

নিজ ধৰ্মেৰ অপমান কৰি ফেৰে।’

একেদৰে ‘ধৰ্মমোহ’ কবিতাত গোষ্ঠী বিদ্বেষ আৰু ধৰ্মীয় অসহনশীলতা সম্পৰ্কে কৈছে-

‘যে পূজাৰ বেদী

গিয়েছে ভেসে

ভাজো ভাঙো আজি ভাঙো তাৰে

নিঃশেষে

ধৰ্মকাৰৰ প্ৰাচীৰ ব্ৰজ হানো

এ অভাগা দেশে জ্ঞানেৰ আলোক আনো।’

ৰবীন্দ্ৰনাথ ঠাকুৰে সমন্বয়ৰ ধাৰাটোক চহকী কৰিবলৈ ধৰ্মীয় ঐতিহ্যক মানৱীয় দৃষ্টিভংগীৰে চোৱাৰ চেষ্টা কৰিছিল। তেওঁ দেশপ্ৰেম, ৰাজনীতি আদিৰ পৰা ধৰ্মমোহক পৃথক কৰি ৰাখিছিল। আনকি তেওঁ ধৰ্মৰ ধৰ্মীয় উন্মাদনাৰে সমন্বয় বিনষ্ট কৰাৰ বিপৰীতে ধৰ্মীয় বিশ্বাসবিহীন নাস্তিকতাবাদৰো পোষকতা কৰিছিল।

ৰবীন্দ্ৰনাথৰ সমন্বয় চিন্তাৰ বিস্তৃতি ঘটিছে ভাৰতৰ হিন্দু-মুছলমান সম্পৰ্কৰ বিচাৰ আৰু মূল্যায়নৰ মাজেৰে। এই সন্দৰ্ভত তেওঁৰ কেইখনমান প্ৰাসংগিক ৰচনা হ’ল- ‘সদুপায়’, ‘আত্মপৰিচয়’, ‘ধৰ্মেৰ অধিকাৰ’, ‘লোকহিত’, ‘দেশহিত’, ‘সমস্যা’ ‘সুবিচাৰেৰ অধিকাৰ’, ‘কালান্তৰ’, ‘হিন্দু-মুছলমান’ আদি। আনকি ‘ঘৰে বাইৰে’ আৰু ‘গোড়া’ উপন্যাসতো ৰবীন্দ্ৰনাথে হিন্দু-মুছলমান সম্পৰ্কক নতুন দৃষ্টিভংগীৰে চোৱাৰ চেষ্টা কৰিছে। ‘গোড়া’ উপন্যাসত গোড়া নামৰ চৰিত্ৰটোৰ মাজেৰে ৰবীন্দ্ৰনাথে সমন্বয়ৰ এক নতুন মূল্যবোধৰ জন্ম দিয়াৰ চেষ্টা কৰিছে। হিন্দুধৰ্মী লোকে এজন মুছলমান ল’ৰাক লালন-পালন কৰাৰ মহৎ নিদৰ্শন দাঙি ধৰি তাত ধৰ্মৰ প্ৰতি

মোহভংগ হোৱা গোড়াৰ মুখেৰে এনেদৰে কোৱাইছে- "মোৰ কথা আপুনি ঠিক বুজি পাইছে? মই যি দিন-ৰাতি হ'ব খুজিছিলোঁ, অথচ হ'ব পৰা নাছিলোঁ। আজি মই তাকে হৈছোঁ। আজি মই ভাৰতবৰ্ষীয়, মোৰ মাজত হিন্দু-মুছলমান, খৃষ্টান কোনো সমাজৰ কোনো ধৰণৰ বিৰোধ নাই।"

ৰবীন্দ্ৰনাথৰ এনে চিন্তাৰ মাজত প্ৰকৃত ধৰ্ম নিৰপেক্ষতা আৰু দেশপ্ৰেমৰ চূড়ান্ত নিদৰ্শন পোৱা যায়। 'ঘৰে বাইৰে' উপন্যাসতো তেওঁ গো-হত্যাক কেন্দ্ৰ কৰি বিনষ্ট হ'ব খোজা হিন্দু-মুছলমান সমন্বয়ৰ সম্পৰ্ক অটুট ৰখাৰ স্বাৰ্থত সাম্প্ৰদায়িক সম্প্ৰীতিৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল।

ৰবীন্দ্ৰনাথে সমন্বয়ৰ ঐতিহ্যক তুলি ধৰিবলৈ কেইবাটিও লেখাত হিন্দু-মুছলমান সাম্প্ৰদায়িক শক্তিক কুঠাৰাঘাত কৰিছিল। তেনে শক্তিৰ উদ্ভৱ ঘটিছিল অবিভক্ত ভাৰতবৰ্ষখন হিন্দু আৰু মুছলমানক কেন্দ্ৰ কৰি বিভাজিত হোৱা ঘটনাৱলীৰ আধাৰত। সেয়ে তেনে বিভাজন আৰু ধৰ্মীয় সংকীৰ্ণতাক কেন্দ্ৰ কৰি ৰবীন্দ্ৰনাথে ৰচনা কৰিছিল 'মুছলমানৰ গল্প', 'কাবুলিৱালা', 'দৃষ্টান', 'দুৰাশা', 'মনিহাৰ', 'ক্ষুৰ্ধিত পাষাণ' আদি লেখা। 'মুছলমানৰ গল্পত' ৰবীন্দ্ৰনাথে পিতৃ-মাতৃহীন কমলাৰ মাজেৰে সমন্বয়ৰ উজ্জ্বল নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। কমলা পিতৃ-মাতৃহীন সন্তান। তেওঁ গাভৰু হোৱাত বিয়াৰ বন্দোৱস্ত কৰা হয়। বিয়াৰ ৰাতি ডকাইতৰ চৰ্দাৰ হাবিৰখাঁই কমলাক বন্দী কৰি লৈ যায়। ভীতিগ্ৰস্থ কমলাক হাবিৰখাঁই অভয় দি কয়- "বুজিছো তুমি হিন্দু ব্ৰাহ্মণৰ কন্যা। মুছলমানৰ ঘৰলৈ যোৱাত তোমাৰ সংকোচ হৈছে। এটা কথা মনত ৰাখিবা, যিসকল যথাৰ্থতে মুছলমান তেওঁলোকে ধৰ্মনিষ্ঠ ব্ৰাহ্মণকো সন্মান কৰে। মোৰ ঘৰত তুমি হিন্দুৰ ঘৰৰ জীয়ৰীৰ দৰে থাকিবা।"

হাবিৰখাঁৰ কথা শুনি কমলাই নিৰ্ভয়চিত্তে হাবিৰখাঁৰ সৈতে তেওঁৰ ঘৰলৈ যায়। হাবিৰখাঁই কমলাৰ বাবে পূজাৰ ব্যৱস্থা কৰি দিয়ে। তাই হিন্দুধৰ্মৰ জীয়ৰীৰ দৰেই হাবিৰখাঁৰ ঘৰত জীৱন-নিৰ্বাহ কৰে। গাভৰু কমলাৰ জীৱনলৈ প্ৰেমৰ জোঁৱাৰ আহে।

হাবিৰখাঁৰ মাজু ল'ৰাই প্ৰেমৰ প্ৰস্তাৱ দিয়াত কমলাই তেওঁৰ প্ৰেমত পৰে। হাবিৰখাঁই কথাটো জনাৰ পিছত কমলাই কয়, "বাবা মোৰ ধৰ্ম নাই। মই যাক ভালপাওঁ সেই ভাগ্যবানেই মোৰ ধৰ্ম।....যিগৰাকী দেৱতাই মোক আশ্ৰয় দিছে সেই ভালপোৱাৰ সন্মানৰ মাজেৰে মই তেওঁকই পূজা কৰোঁ। তেৱেঁই মোৰ দেৱতা। তেওঁ হিন্দুও নহয় মুছলমানো নহয়। আপোনাৰ মাজু ল'ৰা কৰিমক মই হৃদয়ৰ আভ্যন্তৰত গ্ৰহণ কৰিছো, মোৰ কৰ্ম তেওঁৰ সৈতেই বান্ধ খাই পৰিছে। আপুনি মোক মুছলমান কৰি লওঁক। ইয়াত মোৰ আপত্তি নাই। মোৰ দুয়োটা ধৰ্মই থাকি গ'ল, তাত নো কি হ'ব।" {ঠাকুৰ, ৰবীন্দ্ৰনাথঃ ৰবীন্দ্ৰৰচনাৱলী (গোড়া), পৃঃ ৭২}। একেদৰে ৰবীন্দ্ৰনাথে 'গোড়া' উপন্যাসৰ চৰিত্ৰৰ জৰিয়তে কোৱাব পাৰিছে- "মোৰ মাজত হিন্দু মুছলমান খ্ৰীষ্টান কোনো সমাজৰ কোনো বিৰোধ নাই।"(চৌধুৰী, অমিতাভঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ ১৭)

ৰবীন্দ্ৰনাথ ঠাকুৰৰ সমন্বয় চিন্তাৰ মাজৰ মূলতঃ হিন্দু-মুছলমান প্ৰসংগই স্থান পাইছে। ইয়াৰ অন্যতম কাৰণ এয়ে যে ৰবীন্দ্ৰনাথৰ জন্ম আৰু কৰ্মক্ষেত্ৰে বংগৰ সমাজ জীৱন কুৰি শতিকাৰ প্ৰথম ভাগত ৰাজনীতিকেন্দ্ৰিক ধৰ্মীয় বিভাজনে আচ্ছন্ন কৰি তুলিছিল। ৰবীন্দ্ৰনাথে সেই বিভাজনৰ পৰা মানুহক উদ্ধাৰ কৰিবলৈ সামাজিক মিলন আৰু সমন্বয়ৰ কথা কৈছিল। সেইবাবেই নিজেই হিন্দু বুলি পৰিচয় প্ৰদান কৰিয়ো ৰবীন্দ্ৰনাথে হিন্দু ধৰ্মৰ গোড়ামিৰ পৰা মানুহক উদ্ধাৰ কৰাৰ কথা কৈছিল। এই সম্পৰ্কে ৰবীন্দ্ৰনাথ ঠাকুৰে বিদ্ৰোহী কবি কাজী নজৰুল ইছলামৰ সৈতেও আলোচনা কৰিছিল বুলি জনা যায়।

ৰবীন্দ্ৰনাথৰ সমন্বয় চিন্তাত বংগীয় চুফীবাদী গীতিকবি লালন ফকীৰৰ গীতৰ প্ৰভাৱ পৰিছিল। লালন ফকীৰে কৈছিল- "মৰলে মানুষ হবে মাটি একই শ্মশান কবৰে, মানুষ হইয়া দিয়োনা বেশা মানুহেৰে প্ৰাণত।"

ৰবীন্দ্ৰনাথৰ মানসিকতাকো এনে ধৰণৰ চিন্তাই প্ৰভাৱান্বিত কৰিছিল। সেইবাবেই তেওঁ লালন ফকীৰৰ দৰে হিন্দু-মুছলমান যুক্ত সাধনাক উৎসাহিত কৰিছিল। ব্ৰাহ্মণ জমিদাৰৰ

সন্তান হোৱা স্বত্বেও ৰবীন্দ্রনাথ ঠাকুৰ বংগৰ অৱহেলাত নমঃশূদ্র আৰু জমিদাৰৰ দ্বাৰা অত্যাচাৰত জৰ্জৰিত মুছলমান খেতিয়কসকলৰো আপোন হৈ পৰিছিল। তেওঁৰ অনেক লেখাত জীৱন্ত হৈ উঠিছে এইসকল নিপীড়িতৰ জীৱন। মুঠতে জমিদাৰৰ সন্তান ৰবীন্দ্রনাথে বৰ্ণবাদী অভিজাতৰ সাজ দলিয়াই পেলাই পিন্ধিব খুজিছিল জাত-পাতহীন সমন্বয়ৰ সাজ। সেইবাবেই তেওঁ ভাৰতীয় সমাজত এগৰাকী আদৰ্শনীয় ব্যক্তি, সমন্বয়ৰ সেনানী।

এনেদৰে এটা কথাত উপনীত হ'ব পাৰি যে তেওঁ সাহিত্যৰ এজন উপাসক হোৱাৰ উপৰি সমাজ সংস্কাৰক হিচাপেও পৰিচয় দিছে। তেওঁ একেধাৰে দাৰ্শনিক, কবি, গীতিকাৰ, ঔপন্যাসিক, গল্পকাৰ আছিল। তেওঁৰ লেখনি সমগ্র বিশ্বৰ মাজত সমাদৃত হৈছিল। ৰবীন্দ্রনাথে মানৱতাবাদী বুলি যেনেকৈ মানুহক ভাল পাইছিল, তেনেকৈ দেশবাসীকো ভাল পাইছিল। মানুহক ভাল নাপালে দেশৰ মানুহক ভালপোৱা নাযায়। তেওঁ দেশবাসীৰ কল্যাণ কামনা কৰিছিল আৰু তাৰ কাৰণে তেওঁ আজন্ম প্ৰচেষ্টা চলাইছিল। তেওঁ হ'ল 'স্বদেশ আত্মাৰ বাণী মূৰ্তি।'

**যোগাযোগৰ ঠিকনা:**
সহকাৰী অধ্যাপিকা,অসমীয়া বিভাগ
বৰনগৰ মহাবিদ্যালয়
মোবাইল: ৯৬৭৮২৩০৫২৭